# NSD NEWS UNIT
# AKASHVANI, GUWAHATI
0000000000

**Date :** 22-03-2026
**Time :** 1910 Hrs

## *Assamese Evening Bulletin*
## HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে চৰকাৰৰ মুৰব্বী হিচাপে আটাইতকৈ দীৰ্ঘকাল দায়িত্বভাৰ গ্ৰহণ কৰাটো দেশৰ বাবে গৌৰৱৰ মুহূৰ্ত বুলি কেন্দ্ৰীয় মন্ত্ৰী জে পি নাড্ডাই প্ৰকাশ কৰিছে।

২। অসম, কেৰালাম আৰু পুডুচেৰীৰ বিধানসভা নিৰ্বাচনৰ মনোনয়ন পত্ৰ দাখিলৰ কাইলৈ অন্তিম দিন।

৩। দেশত অত্যাৱশ্যকীয় ইন্ধনৰ অভাৱ হোৱা নাই বুলি চৰকাৰে পুনৰ নিশ্চিত কৰিছে।

৪। উপ ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে আজি যোগাভ্যাস আৰু আয়ুৰ্বেদৰ দৰে দেশৰ পৰম্পৰাগত চিকিৎসা ব্যৱস্থাই আন্তঃৰ্জাতিক স্বীকৃতি পোৱা বুলি উল্লেখ কৰে।

*আৰু*

৫। ১৫ কোটিতকৈ অধিক গ্ৰামীণ বাসগৃহত নল যোগে পানী যোগান ধৰা হৈছে বুলি কেন্দ্ৰীয় জলশক্তি মন্ত্ৰী চি আৰ পাটিলে প্ৰকাশ কৰিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে চৰকাৰৰ মুৰব্বী হিচাপে আটাইতকৈ দীৰ্ঘকাল দায়িত্বভাৰ গ্ৰহণ কৰাটো দেশৰ বাবে গৌৰৱৰ মুহূৰ্ত বুলি কেন্দ্ৰীয় মন্ত্ৰী জে পি নাড্ডাই প্ৰকাশ কৰিছে। উল্লখযোগ্য যে, ছিকিমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী পৱন কুমাৰ ছামলিঙৰ ৮ হাজাৰ ৯৩০ দিনৰ অভিলেখ ভংগ কৰি শ্ৰীনৰেন্দ্ৰ মোদী দেশৰ আটাইতকৈ দীৰ্ঘকাল সেৱা আগবঢ়োৱা চৰকাৰৰ মুৰব্বী হিচাপে পৰিগণিত হৈছে। সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এটা বাৰ্তাত শ্ৰীনাড্ডাই কয়, যে গুজৰাটৰ মুখ্যমন্ত্ৰী হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰাৰ পৰা আৰম্ভ কৰি দেশৰ প্ৰধানমন্ত্ৰী হিচাপে সেৱা আগবঢ়োৱালৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ যাত্ৰা অতি অনুপ্ৰেৰণাদায়ক। বিগত বৰ্ষসমূহে শ্ৰীমোদীৰ দেশৰ প্ৰতি গভীৰ সংকল্প তথা জনকল্যাণৰ হকে অহৰহ প্ৰয়াস প্ৰতিফলিত কৰে। শ্ৰীনাড্ডাই কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দিকদৰ্শনত দেশ জনকল্যাণমূলক নীতিৰ জৰিয়তে বিকশিত ভাৰত অভিমুখে আগবাঢ়িছে। ইয়াৰ জৰিয়তে দেশৰ যুৱ চাম, দৰিদ্ৰ লোক, মহিলা তথা কৃষকসকল উপকৃত হোৱা বুলিও তেওঁ উল্লেখ কৰে। আন্তঃৰ্জাতিক মহলত আজি দেশৰ স্থান যথেষ্ট প্ৰভাৱশালী বুলি উল্লেখ কৰি তেওঁ কয়, যে শ্ৰীমোদীয়ে দেশক প্ৰগতিৰ দিশে অগ্ৰসৰ কৰাৰ হকে বিশেষ গুৰুত্ব দি অহাৰ লগতে দেশলৈ প্ৰকৃত পৰিৱৰ্তন আহিছে।

অন্ধ্ৰপ্ৰদেশৰ মুখ্যমন্ত্ৰী এন চন্দ্ৰবাবু নাইডুৱে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক কাৰ্যকালৰ ৮ হাজাৰ ৯৩১ দিন সম্পূৰ্ণ কৰাৰ বাবে শুভেচ্ছা জনাইছে। সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এটা বাৰ্তাত এই সাফল্যক অতুলনীয় বুলি উল্লেখ কৰি দেশৰ বিকাশৰ প্ৰতি থকা সংকল্প, দূৰদৃষ্টি সম্পন্ন নেতৃত্ব তথা নিষ্ঠাৰ বাবে শ্ৰীমোদীৰ শলাগ লয়। তেওঁ কয়, যে কেইবা বছৰৰ অবিৰত সেৱা তথা দেশৰ প্ৰগতি আৰু আন্তৰ্জাতিক স্থিতি শক্তিশালী কৰাৰ ক্ষেত্ৰত তেওঁৰ প্ৰয়াস

ইয়াৰ জৰিয়তে প্ৰতিফলিত হৈছে। তেওঁ লগতে কয়, যে ২০৪৭ চনৰ পূৰ্বে বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হোৱাৰ বাবে শ্ৰীমোদীয়ে গ্ৰহণ কৰা দৃষ্টিভংগীয়ে নীতি নিৰ্ধাৰক তথা নাগৰিকসকলক অনুপ্ৰেৰণা যোগাই আহিছে।

বিজেপিৰ সভাপতি নীতিন নবীনেও প্ৰধানমন্ত্ৰীগৰাকীৰ এই সাফল্যত অভিনন্দন জনাইছে। তেওঁ কয়, যে গুজৰাটত সৰ্বাধিক কাল মুখ্যমন্ত্ৰী হিচাপে সেৱা আগবঢ়োৱা শ্ৰীমোদীয়ে সুপ্ৰশাসন আৰু উন্নয়নৰ আৰ্হি স্থাপন কৰিছে।

০০০০০০

অসম, কেৰালাম আৰু পুডুচেৰীৰ বিধানসভা নিৰ্বাচনৰ মনোনয়ন পত্ৰ দাখিলৰ কাইলৈ অন্তিম দিন। অহা ৯ এপ্ৰিলত দুয়োখন ৰাজ্য তথা কেন্দ্ৰীয় শাসিত অঞ্চলটোত একেটা পৰ্যায়তে নিৰ্বাচন অনুষ্ঠিত হ'ব। অহা মঙলবাৰে মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰা হ'ব। প্ৰাৰ্থিত্ব প্ৰত্যাহাৰৰ অন্তিম দিন হৈছে অহা ২৬ মাৰ্চ। তামিলনাডুত অহা ২৩ এপ্ৰিলত একেটা পৰ্যায়তে নিৰ্বাচন অনুষ্ঠিত হ'ব। পশ্চিমবংগত অহা ২৩ আৰু ২৯ এপ্ৰিলত দুটা পৰ্যায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব। পশ্চিমবংগৰ প্ৰথম পৰ্যায় তথা তামিলনাডুৰ নিৰ্বাচনৰ অধিসূচনা অহা ৩০ মাৰ্চত জাৰি কৰা হ'ব। পশ্চিমবংগৰ দ্বিতীয় পৰ্যায়ৰ বাবে অহা ২ এপ্ৰিলত অধিসূচনা জাৰি কৰা হ'ব। চাৰিওখন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলটোত অহা ৪ মে'ত ভোটগণনা কৰা হ'ব। উল্লেখযোগ্য যে, ১২৬ জনীয়া অসম বিধানসভাৰ কাৰ্যকাল অহা ২০ মে'ত আৰু ১৪০ জনীয়া কেৰালাম বিধানসভাৰ কাৰ্যকাল অহা ২৩ মে'ত অন্ত পৰিব। পুডুচেৰীৰ ৩০ জনীয়া বিধানসভাৰ কাৰ্যকাল অহা ১৫ জুনত অন্ত পৰিব। আনহাতে তামিলনাডুৰ ২৩৪ জনীয়া বিধানসভাৰ কাৰ্যকাল অহা ১০ মে'ত আৰু পশ্চিমবংগৰ ২৯৪ জনীয়া বিধানসভাৰ কাৰ্যকাল অহা ৭ মে'ত অন্ত পৰিব।

০০০০০০

সীমান্ত সুৰক্ষা বাহিনী আৰু পঞ্জাৱ আৰক্ষীৰ মাদক দ্ৰব্য বিৰোধী বিশেষ গোটে চলোৱা এটা যুটীয়া অভিযানত আজি পঞ্জাৱৰ অমৃতসৰত এটা সীমান্তৰ সিপাৰৰ অবৈধ মাদকদ্ৰব্য সৰবৰাহকাৰী নেটৱৰ্ক ধ্বংসকৰাৰ লগতে ৩ গৰাকী লোকক আটক কৰা হয়। আৰক্ষীসূত্ৰই প্ৰকাশ কৰা অনুসৰি গোপন সূত্ৰৰ পম খেদি চলোৱা এই অভিযানত ২৪ কিলোগ্ৰাম হিৰোইন, ২১ লাখ টকা আৰু এটা ড্ৰ'ন জব্দ কৰা হয়। প্ৰাথমিক অনুসন্ধানত প্ৰকাশ পোৱা অনুসৰি এই সৰবৰাহকাৰী গোটটোৰ পাকিস্তানৰ সৈতে সম্পৰ্ক আছে।

০০০০০০

দেশত অত্যাৱশ্যকীয় ইন্ধনৰ অভাৱ হোৱা নাই বুলি চৰকাৰে পুনৰ নিশ্চিত কৰিছে। চৰকাৰে প্ৰকাশ কৰা অনুসৰি তেল শোধানাগাৰসমূহে উচ্চ সামৰ্থৰে কাম-কাজ অব্যাহত ৰখাৰ লগতে পেট্ৰ'ল আৰু ডিজেল যথেষ্ট পৰিমাণে মজুত আছে। পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ে এটা বিবৃতিৰ জৰিয়তে প্ৰকাশ কৰিছে যে, ৰন্ধন গেছৰ ঘৰুৱা চিলিণ্ডাৰসমূহৰ বিতৰণ স্বাভাৱিক হৈ থকাৰ লগতে উৰাবাতৰিৰ প্ৰভাৱত খৰতকীয়াকৈ কৰা বুকিঙৰ সংখ্যাও হ্ৰাস হৈছে। মন্ত্ৰালয়ে লগতে প্ৰকাশ কৰিছে যে, ৰাজ্যসমূহলৈ বাণিজ্যিক চিলিণ্ডাৰ বিতৰণ কৰাৰ গতি পূৰ্বতকৈ অধিক হোৱাৰ লগতে শৈক্ষিক প্ৰতিষ্ঠান তথা চিকিৎসালয়সমূহক এই ক্ষেত্ৰত অগ্ৰাধিকাৰ দিয়া হৈছে। তদুপৰি ৰাজ্যসমূহক ঘৰুৱা তথা বাণিজ্যিক ব্যৱহাৰৰ বাবে পি এন জি সংযোগৰ ব্যৱস্থা কৰিবলৈ পৰামৰ্শ দিয়া হৈছে। ৰন্ধন গেছৰ অবৈধ মজুতকৰণ তথা কলা বিপণন প্ৰতিৰোধ কৰিবলৈ দেশজুৰি অভিযান অব্যাহত আছে বুলিও মন্ত্ৰালয়ে সদৰী কৰে। ইতিমধ্যে বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰালয়ে প্ৰকাশ কৰিছে যে সামুদ্ৰিক বাণিজ্য সুকলমে অব্যাহত থকাটো সুনিশ্চিত কৰিবলৈ ভাৰতীয় জাহাজ তথা বন্দৰসমূহৰ কাম-কাজ অহৰহ

পৰ্যবেক্ষন কৰি থকা হৈছে। বিগত ২৪ ঘণ্টাত ১৩ খন জাহাজকে ধৰি ৫৪৭ খনতকৈ অধিক জাহাজৰ সুকলমে প্ৰত্যাৱৰ্তন হৈছে।

আনহাতে বৈদেশিক পৰিক্ৰমা মন্ত্ৰ্যালয়ে প্ৰকাশ কৰা অনুসৰি ভাৰতীয় নাগৰিকসকলৰ সুৰক্ষা তথা কল্যাণৰ ওপৰত বিশেষ গুৰুত্বসহ উপসাগৰীয় দেশসমূহ তথা পশ্চিম এছিয়া অঞ্চলৰ শেহতীয়া পৰিস্থিতিৰ বুজ লৈ থকা হৈছে। সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰৰ পৰা আজি ৯০ খন বিমানৰ উৰণ-অৱতৰণ হ'ব বুলি আশা কৰা হৈছে। আনহাতে, চৌদি আৰৱ তথা ওমানৰ সৈতেও যাতায়াত অব্যাহত আছে। আংশিকভাৱে মুকলি হৈ থকা বিমান পথৰ সৈতে কাটাৰ বিমান পথেৰে আজি ভাৰতলৈ প্ৰায় ৯ খন বিমান চলাচল কৰাৰ কথা। জনসাধাৰণৰ সুবিধাৰ হকে মন্ত্ৰ্যালয়ে ২৪ ঘণ্টাই কৰ্মক্ষম হৈ থকা এটা নিয়ন্ত্ৰণ কক্ষও মুকলি কৰিছে। উল্লেখযোগ্য যে, যোৱা ২৮ ফেব্ৰুৱাৰীৰ পৰা ৩ লাখ ৫০ হাজাৰতকৈ অধিক যাত্ৰী সুকলমে দেশলৈ উভতি আহিবলৈ সক্ষম হৈছে।

ooooo

উপ ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে আজি যোগাভ্যাস আৰু আয়ুৰ্বেদৰ দৰে দেশৰ পৰম্পৰাগত চিকিৎসা ব্যৱস্থাই আন্তঃৰ্জাতিক স্বীকৃতি পোৱা বুলি উল্লেখ কৰে। এই ব্যৱস্থাসমূহে শাৰীৰিক আৰু মানসিক কল্যাণৰ সংবৰ্ধন কৰে বুলি উল্লেখ কৰি তেওঁ কয়, যে এইসমূহক অৱজ্ঞা কৰা উচিত নহয়। মহাৰাষ্ট্ৰৰ পুনেৰ সমীপৰ উৰুলী কাঞ্চনত নেচাৰোপেথী গ্ৰাম সুধাৰ ট্ৰাষ্টৰ জৰিয়তে পৰিচালিত নেচাৰোপেথী আশ্ৰমৰ ৮১ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে সমবেত লোকসকলক তেওঁ সম্বোধন কৰে। উপ ৰাষ্ট্ৰপতিগৰাকীয়ে সকলোকে প্ৰাকৃতিক জীৱনশৈলীক আঁকোৱালি লোৱাৰ লগতে প্ৰকৃতিৰ সৈতে অভিন্ন হৈ জীয়াই থাকিবলৈ আহ্বান জনায়। মহাত্মা গান্ধীয়ে ৮০ বছৰ পূৰ্বে এনে দৰ্শন বিশ্বাস কৰিছিল বুলি তেওঁ উল্লেখ কৰে। উপ ৰাষ্ট্ৰপতিগৰাকীয়ে খাদ্যভ্যাস সলনিৰ লগতে এলোপেথিক ঔষধৰ ওপৰত অতিমাত্ৰা নিৰ্ভৰশীলতাৰ নেতিবাচক প্ৰভাৱৰ বিষয়েও উল্লেখ কৰে। পৰম্পৰাগত ঔষধ ব্যৱস্থাৰ সংবৰ্ধনৰ হকে নৰেন্দ্ৰ মোদী চৰকাৰে আয়ুষ মন্ত্ৰ্যালয় শক্তিশালী কৰাৰ বিষয়েও তেওঁ প্ৰকাশ কৰে। এই কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি উপৰাষ্ট্ৰপতিগৰাকীয়ে ড° এন জি হেগড়েয়ে ৰচনা কৰা চিক্ৰেটচ অৱ হেপিনেজ শীৰ্ষক এখন গ্ৰন্থও মুকলি কৰে।

ooooo

১৫ কোটিতকৈ অধিক গ্ৰামীণ বাসগৃহত নল যোগে পানী যোগান ধৰা হৈছে বুলি কেন্দ্ৰীয় জলশক্তি মন্ত্ৰী চি আৰ পাটিলে আজি প্ৰকাশ কৰিছে। ইয়াৰ জৰিয়তে জনসাধাৰণৰ জীৱন ধাৰণৰ শৈলী তথা স্বাস্থ্য উন্নত হোৱাৰ লগতে মহিলাসকলৰ বাবেও সকাহ হৈছে। জল মহোৎসৱ ২০২৬ৰ সামৰণি অনুষ্ঠানৰ অংশ হিচাপে আয়োজিত সুজল গ্ৰাম সংবাদ শীৰ্ষক কাৰ্যসূচীত ৫ খন ৰাজ্যৰ অংশগ্ৰহণকাৰীসকলক ভাৰ্চুৱেল ব্যৱস্থাৰে সম্বোধন কৰি তেওঁ এই কথা প্ৰকাশ কৰে। জল মহোৎসৱৰ কাৰ্যসূচী দেশজুৰি জনভাগিদাৰী আন্দোলনলৈ পৰ্য্যবসিত হোৱা বুলি উল্লেখ কৰি তেওঁ কয়, যে ইয়াৰ জৰিয়তে সামূহিক সভা, সজাগতা অভিযানকে ধৰি বিদ্যালয়সমূহত বিভিন্ন কাৰ্যসূচী তথা গাঁও পঞ্চায়তসমূহলৈ বিভিন্ন জলসম্পদ হস্তান্তৰ কৰাৰ দৰে পদক্ষেপ সম্ভৱ হৈছে।

ooooo

**সমাপ্ত**